**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-SEP-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

———————————————

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা ১৪ ছেপ্তেম্বৰত উদ্বোধন কৰা নুমলীগড় শোধনাগাৰৰ বাঁহভিত্তিক জৈৱ ইথানল প্ৰকল্পৰ বাবে ইতিমধ্যে এক কোটি টকা মূল্যৰ বাঁহ শোধনাগাৰ কৰ্তৃপক্ষই ক্ৰয় কৰিছে। এই প্ৰকল্পৰ বাবে বাঁহৰ এটা অবিৰত যোগান শৃংখলা গঢ়ি তুলিবলৈ এন আৰ এল কৰ্তৃপক্ষই বিশেষ ব্যৱস্থা লৈছে। শোধনাগাৰটোৰ পৰিচালন সঞ্চালক ভাস্কৰজ্যোতি ফুকনে সংবাদমাধ্যমৰ আগত এই বিষয়ে প্ৰকাশ কৰিছে।

**বাইট (ভাস্কৰজ্যোতি ফুকন)**

উল্লেখযোগ্য যে ৫ হাজাৰ কোটি টকাৰে স্থাপন কৰা বিশ্বৰ প্ৰথম হিচাপে পৰিগণিত এই বাঁহভিত্তিক জৈৱ ইথানল প্ৰকল্পই ৰাজ্যৰ ৫০ হাজাৰ বাঁহ খেতিয়কৰ জীৱনলৈ অভূতপূৰ্ব পৰিৱৰ্তন আনিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে।

০০০০০০

ৰাজ্যত এইবাৰৰ বানত ছখন জিলাৰ ২২ হাজাৰৰো অধিক লোক প্ৰভাৱিত হৈছে। বানৰ ফলত ৪ হেজাৰ হেক্টৰৰো অধিক কৃষিভূমিৰ শস্য নষ্ট হৈছে। দিখৌ, দিচাং, ধনশিৰি, বৰাক আৰু কুছিয়াৰাকে ধৰি ৰাজ্যখনৰ মাজেৰে বৈ যোৱা কেইবাখনো নৈৰ জলস্তৰ বিপদসীমাৰ ওপৰেৰে বৈ আছে। ৰাজ্যিক ব্যৱস্থাপনা প্ৰাধিকৰণে প্ৰকাশ কৰা মতে, বিভিন্ন স্থানত স্থাপন কৰা ১১৩ টা আশ্ৰয় শিবিৰ আৰু সাহায্য বিতৰণ কেন্দ্ৰত প্ৰায় ৭ হাজাৰ লোকে আশ্ৰয় লৈ আছে। চৰকাৰে উদ্ধাৰ অভিযানৰ কামত ৰাজ্যিক দুৰ্যোগ সহাৰি বাহিনীৰ দল নিয়োগ  কৰিছে।

চুবুৰীয়া ৰাজ্য নাগালেণ্ডত হোৱা ধাৰাসাৰ বৰষুণ আৰু নীপকোৰ দৈয়াং জলবিদ্যুৎ প্ৰকল্পৰ পানী এৰি দিয়াৰ ফলত গোলাঘাট জিলাৰ বিভিন্ন অঞ্চলত বানত বুৰ গৈছে। ধনশিৰি আৰু দৈয়াং নৈৰ লগতে উপনৈসমূহৰ জলস্তৰ বৃদ্ধি পোৱাৰ ফলত জিলাখনৰ বিভিন্ন ঠাই বানৰ কবলত পৰিছে। জিলাখনত যোৱা ২৪ ঘণ্টাত বানৰ ফলত দুজন লোকে প্ৰাণ হেৰুৱাইছে। বানপীড়িতসকলৰ বাবে জিলা প্ৰশাসনে ১৫টা আশ্ৰয় শিবিৰ মুকলি কৰিছে। সম্ভাব্য বানৰ প্ৰতি লক্ষ্য ৰাখি গোলাঘাট, মৰঙী, খুমটাই, দেৰগাঁও, সৰুপথাৰ আৰু বোকাখাত ৰাজহ চক্ৰৰ অন্তৰ্গত নৈপৰীয়া ৰাইজক সজাগ হৈ থাকিবলৈ জিলা প্ৰশাসনে সকিয়াই দিছে। জৰুৰীকালীন সময়ত উদ্ধাৰ কাৰ্যৰ বাবে ০৩৭৭৪-২৮৩২৮২ নম্বৰত যোগাযোগ কৰিবলৈ গোলাঘাট জিলা প্ৰশাসনে আহ্বান জনাইছে। উল্লেখযোগ্য যে ধনশিৰি নৈৰ বাঢ়নী পানীয়ে নুমলীগড়, খুমটাই, সৰুপথাৰ, গোলাঘাট আদি অঞ্চলৰ লগতে কুৰিখনৰো অধিক গাঁও জলমগ্ন কৰি তুলিছে।

জিলা আয়ুক্ত পুলক মহন্তই কালি সীমান্ত দণ্ডাধীশৰ সৈতে গোলাঘাট ৰাজহ চক্ৰৰ অন্তৰ্গত ইটানগৰটোপ অঞ্চলত বান পৰিস্থিতিৰ বুজ লয়। বানপীড়িত ৰাইজৰ অৱস্থাৰ বুজ লৈ আয়ুক্তগৰাকীয়ে এন ডি আৰ এফ আৰু এছ ডি আৰ এফৰ উদ্ধাৰ অভিযান পৰিদৰ্শন কৰে। জিলাখনত আটাইকেইটা ৰাজহচক্ৰতে চক্ৰ বিষয়াসকলেও আশ্ৰয় শিবিৰসমূহত উপস্থিত হৈ বান ক্ষতিগ্ৰস্ত ৰাইজৰ অভাৱ অভিযোগৰ বুজ লয়।

ইফালে, ব্ৰহ্মপুত্ৰ নদীৰ উত্তৰ পাৰতো চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশৰ বমদিলা আৰু টাৱাং জিলাত হোৱা ধাৰাসাৰ বৰষুণৰ ফলত পাহাৰীয়া নৈসমূহৰ জলস্তৰ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত ভৈয়াম অঞ্চলত বানৰ সৃষ্টি হৈছে। বিশ্বনাথৰ অসম-অৰুণাচল সীমান্তৱৰ্তী কেইবাখনো গাঁও বাঢ়নি পানীয়ে বুৰাই পেলাইছে।

একেদৰে গহপুৰ সমজিলাৰ মাজেৰে বৈ যোৱা ব্ৰহ্মাজান আৰু ছত্ৰং নৈৰ বাঢ়নি পানীয়ে কালি বিস্তীৰ্ণ অঞ্চল বুৰাই পেলায়। শোণিতপুৰ জিলাৰ নদুৱাৰ বিধানসভা সমষ্টিৰ চাৰিদুৱাৰৰ অন্তৰ্গত বাকোলা, বাকোলাপথাৰ, আমলগা, ভালুকমাৰী, বুঢ়াগাঁও, দলংবস্তিকে ধৰি কেইবাটাও অঞ্চল বানৰ কবলত পৰিছে। প্ৰথমবাৰৰ বাবে গামানি ছপানলা গাঁৱৰ বিস্তীৰ্ণ অঞ্চল বানৰ কবলত পৰিছে। বিধায়ক পদ্ম হাজৰিকাই কালি বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়।

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে পৰৱৰ্তী কেইটামান দিনত ৰাজ্যখনৰ অধিকাংশ ঠাইত বিজুলী-ঢেৰেকনিৰে মজলীয়াৰ পৰা ধাৰাষাৰ বৰষুণ হ'ব বুলি আগলি বতৰা দিছে। ৰাজ্য চৰকাৰে নাগৰিকসকলক অহা ২-৩ দিনলৈ সতৰ্ক হৈ থাকিবলৈ আৰু প্ৰয়োজনীয় সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

০০০০০০

ডিব্ৰুগড় বিশ্ববিদ্যালয় শিক্ষক সংস্থাই কালি এইবছৰৰ প্ৰথমটো তথা সামগ্ৰিকভাৱে পঞ্চমটো শৈক্ষিক বক্তৃতাৰ আয়োজন কৰে। অনুষ্ঠানত অসম দক্ষতা বিশ্ববিদ্যালয়ৰ প্ৰায়োগিক ব্যৱস্থাপনা বিভাগৰ মুৰব্বী তথা তেজপুৰ বিশ্ববিদ্যালয় স্কুল অৱ মেনেজমেণ্ট চায়েন্সৰ পূৰ্বৰ গুৰু আৰু আই কিউ এ চিৰ সঞ্চালক অধ্যাপক চন্দনা গোস্বামীয়ে শৈক্ষিক বক্তৃতা আগবঢ়ায়। **জীৱন ব্যৱস্থাপনা নিজক বুজাৰ পৰা আৰম্ভণি** বিষয়ক এই বক্তৃতাত আত্মচেতনাৰ লগতে মানসিক আৰু অনুভূতিজনিত সুস্থতাৰ ওপৰত গুৰুত্ব দিয়া হয়।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন উপলক্ষে ভাৰতীয় জনতা পাৰ্টীৰ ডিব্ৰুগড় জিলা সমিতিৰ উদ্যোগত কাইলৈ জিলাভিত্তিক প্ৰাইজমানি মাৰাথান দৌৰ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। চৌকিদিঙি খেলপথাৰৰ পৰা আৰম্ভ হৈ আমোলাপট্টি চাৰিআলি হৈ ফুলবাগান, থানা চাৰিআলি, অ'ভাৰব্ৰীজ হৈ পুনৰ চৌকিদিঙি খেলপথাৰত সামৰণি পৰিব। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবৰ বাবে বিজেপিৰ কৰ্মকৰ্তা আৰু সদস্যসকলৰ লগতে নিজ নিজ অঞ্চলৰ খেলুৱৈসকলক মাৰাথান দৌৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ উদ্যোক্তাসকলে আহ্বান জনাইছে।

০০০০০০

সমাপ্ত